**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 15-05-2026 **Time :** 0755 Hrs.

জ্যেষ্ঠ বিজেপি নেতা তথা নৱনির্বাচিত বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে শপতগ্ৰহণ কৰিব। ৰাজ্যপাল লক্ষ্মণ প্ৰদাস আচাৰ্যই লোক ভৱনত দিনৰ চাৰে ১১ বজাত আয়োজিত এটা অনুষ্ঠানত শ্ৰী পাটোৱাৰীক শপতবাক্য পাঠ কৰোৱাব। ৰাজ্যপালে কালি বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক ষোড়শ অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। স্থায়ী অধ্যক্ষ নিৰ্বাচিত নোহোৱা পৰ্যন্ত অস্থায়ী অধ্যক্ষগৰাকীয়ে সদনৰ কামকাজ পৰিচালনা কৰিব। উল্লেখযোগ্য যে অহা ২১ মে'ত আৰম্ভ হ'বলগীয়া ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ প্ৰথম দিনা অস্থায়ী অধ্যক্ষগৰাকীয়ে নৱনিৰ্বাচিত বিধায়কসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। ইয়াৰ পাছতে বিধানসভাৰ  নতুন অধ্যক্ষ নিৰ্বাচন কৰা হ'ব।

0000000

যোৰহাট জিলাৰ ভূমিৰ ৰাজহ শ্ৰেণী বিভাজন সম্পৰ্কীয় প্ৰস্তাৱসমূহ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন  বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ প্ৰস্তাৱিত ভূমিৰ পুনৰ শ্ৰেণী বিভাজন প্ৰক্ৰিয়াৰ অগ্ৰগতি আৰু ইয়াৰ কাৰিকৰী দিশসমূহৰ ক্ষেত্ৰত আলোচনা কৰা হয়। জিলা আয়ুক্তই এই প্ৰক্ৰিয়াৰ সৈতে জড়িত সংশ্লিষ্ট বিভাগসমূহক ভূমি সংক্ৰান্তীয় কোনো জটিলতাই যাতে জিলাখনৰ উন্নয়নমূলক কাৰ্যত বাধাৰ সৃষ্টি নকৰে তাৰ বাবে নিকা আৰু দ্ৰুত গতিত কাম সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত জিলা উন্নয়ন আয়ুক্ত, সম-জিলা আয়ুক্ত, চক্ৰ বিষয়া, ভূমি সংৰক্ষণ, জলসম্পদ আৰু বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

0000000

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত আজি শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিছিল।

0000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ বাবে অহা ২৫ মে'ৰ পৰা জীপ ছাফাৰী বন্ধ থাকিব। প্ৰতিকূল বতৰ আৰু উদ্যানৰ ভিতৰৰ ক্ষেত্ৰসমূহৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। পূব অসম বন্য প্ৰাণী সংমণ্ডলৰ বিভাগীয় বন বিষয়াই কালি জাৰি কৰা জাননী অনুসৰি পৰ্যটকৰ সুৰক্ষাৰ স্বাৰ্থত অহা ২৫ মে'ৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা, অগৰাতলী, বাগৰি, বুঢ়াপাহাৰ বনাঞ্চল ক্ষেত্ৰ পৰ্যটকৰ বাবে বন্ধ থাকিব।

0000000

ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে পুনৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে তৎপৰতা চলাইছে। সেই অনুসৰি প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে সকলো জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰি নিম্ন আৰু উচ্চ প্ৰাথমিকৰ খালী হৈ থকা শিক্ষক পদৰ তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছে। অহা ৩০ মে' বা তাৰ পূৰ্বে খালী শিক্ষক পদৰ তথ্যসমূহ নিৰ্দিষ্ট প'ৰ্টেলত দাখিল কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে, প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ২০২৫ চনত ৫হাজাৰ ৫৫০ টা আৰু ২০২৬ চনত ৪হাজাৰ ৫০০ টা প্ৰাথমিক শিক্ষক

পদৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছিল। প্ৰাথমিক শিক্ষা সঞ্চালকালক সুৰঞ্জনা সেনাপতিয়ে ৰাজ্যৰ সকলো জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ এই উদ্দেশ্যে পত্ৰ প্ৰেৰণ কৰিছে।

0000000

নিৰ্বাচন আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ ৭ খন ৰাজ্যসহ দেশৰ মুঠ ১৬ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয়শাসিত অঞ্চলত পৰ্যায়ক্ৰমে এছ আই আৰ অৰ্থাৎ ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন তৃতীয় পৰ্যায় আৰম্ভ কৰিব বুলি ঘোষণা কৰিছে। এই পৰ্যায়ত অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ওড়িশা, ঝাৰখণ্ড, হাৰিয়ানা, পঞ্জাৱ, উত্তৰাখণ্ড, তেলেংগানা, কৰ্ণাটক, দিল্লী, চণ্ডীগড়, দাদৰা নগৰ হাৱেলী আৰু দমন – ডিউক সামৰি লোৱা হ'ব। সমগ্ৰ দেশতে ভোটদাতাৰ সঠিক আৰু শেহতীয়া তথ্য সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ভোটাৰ তালিকাৰ পুনৰীক্ষণ প্ৰক্ৰিয়া হৈছে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

0000000

জনসাধাৰণৰ মাজত পৰিবেশ সচেতনতা, বহনক্ষম উন্নয়ন আৰু জলবায়ুৰ প্ৰতি দায়বদ্ধতাৰ মানসিকতা গঢ়ি তোলা লক্ষ্যৰে মৰিগাঁও মহাবিদ্যালয়ত **জীৱনৰ বাবে জলবায়ু মহোৎসৱ** সন্মিলনৰ আয়োজন কৰা হৈছে। কালিৰেপৰা অনুষ্ঠিত এই মহোৎসৱ কাইলৈ অন্ত পৰিব। **য'ত আছে নদী, বনাঞ্চল, পৰ্বত উপকূল আৰু মহাসাগৰ** -শীৰ্ষক বিষয়বস্তুৰে আয়োজন কৰা এই মহোৎসৱৰ জৰিয়তে অভিজ্ঞতা ভিত্তিক আৰু আন্তঃক্ৰিয়াশীল শিক্ষাৰ মাধ্যমৰে জলবায়ু পৰিবৰ্তন, বহনক্ষমতা আৰু পৰিবেশ বিজ্ঞান সম্পৰ্কে সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। মহাবিদ্যালয়খনৰ উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান বিভাগৰ সহযোগত অনুষ্ঠিত এই মহোৎসৱ মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে উদ্বোধন কৰে। জিলা আয়ুক্তগৰাকীয়ে জলবায়ু পৰিবৰ্তন বৰ্তমান সময়ত অতি দৰকাৰী বিষয় বুলি মন্তব্য কৰে। তেওঁ কয়, যে মানুহৰ অবিবেচক কাৰ্যই পৰিবেশ আৰু জলবায়ুৰ প্ৰতি দুৰ্যোগ কঢ়িয়াই আনিছে। প্ৰতিজন নাগৰিক এই বিষয়ত সচেতন হোৱাৰো প্ৰয়োজন আছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

এই মহোৎসৱৰ অংশ হিচাপে প্ৰদৰ্শনী আৰু আন্তঃক্ৰিয়াশীল অধিবেশনৰ আয়োজন কৰা হয়।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে পাঞ্জাব কিংছক ছয় উইকেটত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ২০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু ৫ টা বলত চাৰিটা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ তিলক বাৰ্মাই ৩৩ টা বলত ৫৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ২০০ ৰান সংগ্ৰহ কৰে। পাঞ্জাবৰ হৈ প্ৰভছিমৰন সিঙে সৰ্বাধিক ৫৭ ৰান কৰে। তিলক বাৰ্মাক প্লেয়ৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়াৰ চাৰে ৭ বজাত আৰম্ভ হ'ব।

0000000

**সমাপ্ত**